**“মৰমৰ সন্তানসকল – তোমালোক বিকাৰীৰ পৰা নিৰ্বিকাৰী হ’বলৈ বেহদৰ পিতাৰ ওচৰলৈ আহিছা সেইবাবে তোমালোকৰ মাজত কোনো ধৰণৰ ভূত থাকিব নালাগে”**

প্ৰশ্ন: পিতাই তোমালোকক এতিয়া কি পাঠ পঢ়ায় যিটো গোটেই কল্পত পঢ়োৱা নহয়?

উত্তৰ: নতুন ৰাজধানী স্থাপনা কৰাৰ পাঠ, মনুষ্যক ৰাজকীয় পদ দিয়াৰ পাঠ এই সময়ত পৰম পিতাইহে পঢ়ায়। এই নতুন পাঠ গোটেই কল্পত পঢ়োৱা নহয়। এই পঢ়াৰ দ্বাৰা সত্যযুগী ৰাজধানী স্থাপনা হৈ আছে।

ওঁম্ শান্তি। এয়াতো সন্তানসকলে জানে যে আমি আত্মা, শৰীৰ নহয়, ইয়াকে দেহী-অভিমানী বুলি কোৱা হয়। সকলো মনুষ্যই হৈছে দেহ-অভিমানী। এইখন হয়েই পাপ আত্মাৰ সৃষ্টি অথবা বিকাৰী সৃষ্টি, ৰাৱণৰাজ্য। সত্যযুগ অতীত হৈ গ’ল। তাত সকলো নিৰ্বিকাৰী হৈ থাকে। সন্তানসকলে জানে - আমিয়েই পৱিত্ৰ দেৱী-দেৱতা আছিলোঁ, যিয়ে 84 জন্মৰ পাছত আকৌ পতিত হৈ গ’লোঁ। সকলোৱেতো 84 জন্ম নলয়। ভাৰতবাসীয়েই দেৱী-দেৱতা আছিল, যিয়ে 82, 83 বা 84 জন্ম লৈছে। তেওঁলোকেই পতিত হৈছে। ভাৰতকেই অবিনাশী খণ্ড বুলি কোৱা হয়। যেতিয়া ভাৰতত লক্ষ্মী-নাৰায়ণৰ ৰাজ্য আছিল তেতিয়া ইয়াক নতুন সৃষ্টি, নতুন ভাৰত বুলি কোৱা হৈছিল। এতিয়া হৈছে পুৰণি সৃষ্টি, পুৰণা ভাৰত। সেয়াতো সম্পূৰ্ণ নিৰ্বিকাৰী আছিল, কোনো বিকাৰ নাছিল। সেই দেৱতাসকলেই 84 জন্ম লৈ এতিয়া পতিত হৈছে। কামৰ ভূত, ক্ৰোধৰ ভূত, লোভৰ ভূত - এই সকলোবোৰ অতি কাঢ়া ভূত। ইয়াৰ ভিতৰত মুখ্য হৈছে – দেহ-অভিমানৰ ভূত। ৰাৱণৰাজ্য হয় নহয়। এই ৰাৱণ হৈছে ভাৰতৰ আধাকল্পৰ শত্ৰু, যেতিয়া মনুষ্যৰ মাজত 5 বিকাৰ প্ৰৱেশ কৰে। এই দেৱতাসকলৰ এই ভূতবোৰ নাছিল। আকৌ পুনৰ্জন্ম লৈ লৈ এওঁলোকৰ আত্মাও বিকাৰত আহি গ’ল। তোমালোকে জানা যে আমি যেতিয়া দেৱী-দেৱতা আছিলোঁ তেতিয়া কোনো বিকাৰৰ ভূত নাছিল। সত্যযুগ-ত্ৰেতাক কোৱাই হয় ৰামৰাজ্য, দ্বাপৰ-কলিযুগক কোৱা হয় ৰাৱণৰাজ্য। ইয়াত প্ৰত্যেক নৰ-নাৰীৰ মাজত 5 বিকাৰ আছে। দ্বাপৰৰ পৰা কলিযুগলৈ 5 বিকাৰ চলে। এতিয়া তোমালোক পুৰুষোত্তম সংগমযুগত আছা। বেহদৰ পিতাৰ ওচৰলৈ আহিছা বিকাৰীৰ পৰা নিৰ্বিকাৰী হ’বলৈ। নিৰ্বিকাৰী হৈ যদি আকৌ কোনো বিকাৰত যোৱা তেতিয়া পিতাই লিখে যে তুমি মুখ ক’লা কৰিলা, এতিয়া বগা মুখ (সুন্দৰ) হোৱাতো মস্কিল। 5 মহলাৰ পৰা পৰাৰ নিচিনা। হাড় ভাঙি যায়। ‘গীতা’তো আছে ভগৱানুবাচ - কাম হৈছে মহাশত্ৰু। ভাৰতৰ বাস্তৱিক ধৰ্ম শাস্ত্ৰই হৈছে ‘গীতা’। প্ৰত্যেক ধৰ্মৰ এখনেই শাস্ত্ৰ থাকে। ভাৰতবাসীৰতো অনেক শাস্ত্ৰ আছে। ইয়াকে ভক্তি বুলি কোৱা হয়। নতুন সৃষ্টি সতোপ্ৰধান সোণালী যুগ, তাত কোনো কাজিয়া-পেচাল নাছিল। দীৰ্ঘায়ু আছিল, সৰ্বদা স্বাস্থ্যৱান-সম্পত্তিৱান আছিল। তোমালোকৰ স্মৃতি উদয় হৈছে যে আমি দেৱতাসকল বহুত সুখী আছিলোঁ। তাত অকালতে মৃত্যু নহয়। কালৰ ভয় নাথাকে। তাত স্বাস্থ্য, সম্পত্তি, সুখ সকলো থাকে। নৰকত সুখ নাথাকে। কিবা নহয় কিবা শৰীৰৰ বেমাৰ হৈয়ে থাকে। এয়া হৈছে অপাৰ দুখৰ সৃষ্টি। সেয়া হ’ল অপাৰ সুখৰ সৃষ্টি। বেহদৰ পিতাই দুখৰ সৃষ্টি ৰচিব জানো। পিতাইতো সুখৰ সৃষ্টি ৰচনা কৰিলে। আকৌ ৰাৱণৰাজ্য আহিল তাৰ পৰা দুখ-অশান্তি হয়। সত্যযুগ হ’ল সুখধাম, কলিযুগ হ’ল দুখধাম। বিকাৰত যোৱা মানে ইজনে সিজনৰ ওপৰত কাম-কটাৰী চলোৱা। মনুষ্যই কয় - এয়াতো ভগৱানৰ ৰচনা। কিন্তু নহয়, ভগৱানৰ ৰচনা নহয়, এয়া হ’ল ৰাৱণৰ ৰচনা। ভগৱানেতো স্বৰ্গ ৰচনা কৰে। তাত কাম-কটাৰী নাথাকে। এনেকুৱা নহয় যে দুখ-সুখ ভগৱানে দিয়ে। হেৰ’, বেহদৰ পিতা ভগৱানে সন্তানসকলক দুখ কেনেকৈ দিব। তেওঁ কয় মই সুখৰ উত্তৰাধিকাৰ দিওঁ আকৌ আধাকল্পৰ পাছত ৰাৱণে অভিশপ্ত কৰে। সত্যযুগততো অপাৰ সুখ আছিল, উভৈনদী আছিল। এটা সোমনাথ মন্দিৰত কিমান হীৰা-মুকুতা আছিল। ভাৰত কিমান চহকী আছিল। এতিয়াতো কঙাল। সত্যযুগত 100 শতাংশ চহকী, কলিযুগত 100 শতাংশ কঙাল - এই খেলখন ৰচি থোৱা আছে। এতিয়া হৈছে লৌহযুগ, খাদ পৰি পৰি একেবাৰে তমোপ্ৰধান হৈ গৈছে। কিমান দুখ আছে। এই এৰোপ্লেন আদিও 100 বছৰৰ ভিতৰত উদ্ভাৱন হৈছে। ইয়াকে কোৱা হয় মায়াৰ পাম্প। গতিকে মনুষ্যই ভাবে বিজ্ঞানেতো স্বৰ্গ কৰি দিলে। কিন্তু এয়া হৈছে ৰাৱণৰ স্বৰ্গ। কলিযুগৰ মায়াৰ পাম্প দেখি তোমালোকৰ ওচৰলৈ কাচিৎহে আহে। এনেকৈ ভাবে যে আমাৰতো মহল, গাড়ী আদি আছে। পিতাই কয় - স্বৰ্গতো সত্যযুগক কোৱা হয়, যেতিয়া এই লক্ষ্মী-নাৰায়ণৰ ৰাজ্য আছিল। এতিয়া এই লক্ষ্মী-নাৰায়ণৰ ৰাজ্য জানো আছে। এতিয়া কলিযুগৰ পাছত পুনৰ এওঁলোকৰ ৰাজ্য আহিব। প্ৰথমে ভাৰত বহুত সৰু আছিল। নতুন সৃষ্টিত মাত্ৰ 9 লাখ দেৱতা থাকে। ইমানেই। পাছলৈ বৃদ্ধি হৈ গৈ থাকে। গোটেই সৃষ্টিৰ বৃদ্ধি হৈ নাযায় জানো। প্ৰথমতে কেৱল দেৱী-দেৱতা আছিল। গতিকে বেহদৰ পিতাই বিশ্বৰ বুৰঞ্জী-ভুগোল বুজায়। পিতাৰ বাহিৰে আন কোনেও বুজাব নোৱাৰে। তেওঁক জ্ঞানেৰে পৰিপূৰ্ণ ঈশ্বৰ পিতা বুলি কোৱা হয়। সকলো আত্মাৰে পিতা। সকলো আত্মা

ভাই ভাই আকৌ ভাই আৰু ভনী হয়। তোমালোক সকলো হৈছা প্ৰজাপিতা ব্ৰহ্মাৰ তোলনীয়া সন্তান। সকলো আত্মা তেওঁৰ সন্তানতো হয়েই। তেওঁক কোৱা হয় পৰমপিতা, তেওঁৰ নাম হৈছে শিৱ। ইমানেই। পিতাই বুজায়, মোৰ এটাই নাম শিৱ। আকৌ ভক্তিমাৰ্গত মনুষ্যই বহুত মন্দিৰ নিৰ্মাণ কৰিছে সেয়েহে বহুত নাম ৰাখি দিছে। ভক্তিৰ কিমান সামগ্ৰী আছে। তাক পঢ়া বুলি কোৱা নহ'ব। তাত কোনো লক্ষ্য-উদ্দেশ্য নাই। সেয়া অধঃপতিত হোৱাৰ বাবেই। অধঃপতিত হৈ হৈ তমোপ্ৰধান হৈ যায়। আকৌ সকলো সতোপ্ৰধান হ'ব লাগে। তোমালোক সতোপ্ৰধান হৈ স্বৰ্গলৈ আহিবা, বাকী সকলোৰে সতোপ্ৰধান হৈ শান্তিধামত থাকিব। এইটো ভালদৰে স্মৃতিত ৰাখিবা। পিতাই কয় - তোমালোকে মোক মাতিছা – বাবা, আমাক পতিতসকলক আহি পাৱন কৰি তোলক, গতিকে এতিয়া মই গোটেই সৃষ্টিক পাৱন কৰি তুলিবলৈ আহিছোঁ। মনুষ্যই ভাবে, গঙ্গা স্নান কৰিলে পাৱন হৈ যাব। গঙ্গাক পতিত-পাৱনী বুলি ভাবে। কুঁৱাৰ পৰা পানী উলিয়াই তাকো গঙ্গাৰ পানী বুলি ভাবি স্নান কৰে। গুপ্ত গঙ্গা বুলি ভাবে। তীৰ্থ যাত্ৰা বা কোনো পাহাৰীয়া ঠাইলৈ যায়, তাকো গুপ্ত গংগা বুলি ক'ব। ইয়াক কোৱা হয় মিথ্যা। ভগৱান সত্য বুলি কোৱা হয়। বাকী ৰাৱণৰ ৰাজ্যত সকলো হৈছে মিছলীয়া। ঈশ্বৰ পিতাই স্বৰ্গ স্থাপনা কৰে। তাত মিথ্যাচাৰ নাথাকে। দেৱতাসকলক শুদ্ধ ভোগ আগবঢ়ায়। এতিয়াতো হ'ল আসুৰি ৰাজ্য, সত্যযুগ-ত্ৰেতাত হ'ল ঈশ্বৰীয় ৰাজ্য, যি এতিয়া স্থাপনা হৈ আছে। ঈশ্বৰেই আহি সকলোকে পাৱন কৰি তোলে। দেৱতাসকলৰ কোনো বিকাৰ নাথাকে। যথা ৰজা-ৰাণী তথা প্ৰজা সকলো পৱিত্ৰ হয়। ইয়াত সকলো পাপী, কামী, ক্ৰোধী। নতুন সৃষ্টিক স্বৰ্গ আৰু ইয়াক নৰক বুলি কোৱা হয়। নৰকক পিতাৰ বাহিৰে কোনেও স্বৰ্গ কৰি তুলিব নোৱাৰে। ইয়াত সকলো হৈছে নৰকবাসী পতিত। সত্যযুগ হৈছে পাৱন। তাত এনেকৈ কোৱা নহ'ব যে আমি পতিতৰ পৰা পাৱন হ'বলৈ স্নান কৰিব যাওঁ।

এয়া হৈছে বৈচিত্ৰময় মনুষ্য সৃষ্টি ৰূপী বৃক্ষ। বীজৰূপ হৈছে ভগৱান। তেৱেঁই ৰচনা ৰচে। প্ৰথমতে দেৱী-দেৱতাসকলক ৰচে। আকৌ বৃদ্ধি হৈ হৈ ইমানবোৰ ধৰ্ম হৈ যায়। প্ৰথমতে এক ধৰ্ম, এক ৰাজ্য আছিল। সুখেই সুখ আছিল। মনুষ্যই বিচাৰেও যে বিশ্বত শান্তি হওঁক। সেয়া তোমালোকে এতিয়া স্থাপনা কৰি আছা। বাকী সকলো নাশ হৈ যাব। বাকী অলপ থাকিবগৈ। এই চক্ৰ ঘূৰি থাকে। এতিয়া হৈছে কলিযুগৰ অন্ত আৰু সত্যযুগৰ আদিৰ পুৰুষোত্তম সংগমযুগ। ইয়াক কোৱা হয় কল্যাণকাৰী পুৰুষোত্তম সংগমযুগ। কলিযুগৰ পাছত সত্যযুগ স্থাপনা হৈ আছে। তোমালোকে সংগমত পঢ়া ইয়াৰ ফল সত্যযুগত পাবা। ইয়াত যিমানে পৱিত্ৰ হ'বা আৰু পঢ়িবা সিমানে উচ্চ পদ পাবা। এনেকুৱা পঢ়া ক'তো নাথাকে। তোমালোকে এই পঢ়াৰ সুখ নতুন সৃষ্টিত পাবা। যদিহে কিবা ভূত থাকে তেতিয়া এফালে শাস্তি খাব লাগিব, আনফালে তাত গৈ কম পদ পাবাগৈ। যিয়ে সম্পূৰ্ণ হৈ আনকো পঢ়াব তেওঁ উচ্চ পদ পাব। কিমান সেৱাকেন্দ্ৰ আছে, লাখৰ হিচাপত সেৱাকেন্দ্ৰ হৈ যাব। গোটেই বিশ্বতে সেৱাকেন্দ্ৰ হৈ যাব। পাপ আত্মাৰ পৰা পুণ্য আত্মা হ'বই লাগে। তোমালোকৰ লক্ষ্য-উদ্দেশ্যও আছে। পঢ়াওঁতাজন হৈছে এক শিৱবাবা। তেওঁ হৈছে জ্ঞানৰ সাগৰ, সুখৰ সাগৰ। পিতাহে আহি পঢ়ায়। এওঁ নপঢ়ায়, এওঁৰ দ্বাৰা পঢ়ায়। এওঁক ভগৱানৰ ৰথ বুলি কোৱা হয়, ভাগ্যশালী ৰথ। তোমালোকক কিমান পদ্মাপদম ভাগ্যশালী কৰি তোলে। তোমালোক বহুত চহকী হৈ যোৱা। কেতিয়াও বেমাৰত নপৰা। স্বাস্থ্য, সম্পত্তি, সুখ সকলো পাই যোৱা। ইয়াত যদিও ধন আছে কিন্তু বেমাৰ আদি আছে। সেই সুখ থাকিব নোৱাৰে। কিবা নহয় কিবা দুখ থাকে। তাৰ নামেই হল সুখধাম, স্বৰ্গ, 'পেৰাডাইজ'। এই লক্ষ্মী-নাৰায়ণক এই ৰাজ্য কোনে দিলে? এয়া কোনেও নাজানে। এওঁলোক ভাৰততে আছিল, বিশ্বৰ মালিক আছিল। কোনো বিভাজন আদি নাছিল। এতিয়াতো কিমান বিভাজন আছে। ৰাৱণৰ ৰাজ্য। কিমান টুকুৰা-টুকুৰ হৈ গ'ল। কাজিয়া কৰি থাকে। তাততো গোটেই ভাৰততে এই দেৱী-দেৱতাসকলৰ ৰাজ্য আছিল। তাত পৰামৰ্শদাতা আদি নাথাকে। ইয়াত চোৱা কিমান পৰামৰ্শদাতা কিয়নো বুদ্ধিহীন। পৰামৰ্শদাতাসকলো তেনেকুৱাই তমোপ্ৰধান পতিত। পতিতই আৰু অধিক পতিতকহে পায়… কঙাল হৈ যায়, ধাৰ লৈ থাকে। সত্যযুগততো শস্য ফল আদি বহুত সোৱাদলগা হয়। তোমালোক তালৈ গৈ সকলো অনুভৱ কৰি আহা। সূক্ষ্মলোকলৈও যোৱা আৰু স্বৰ্গলৈও যোৱা। পিতাই কয় - সৃষ্টি চক্ৰ কেনেকৈ ঘূৰে। প্ৰথমে ভাৰতত এটাই দেৱী-দেৱতা ধৰ্ম আছিল। বাকী অন্য কোনো ধৰ্ম নাছিল। আকৌ দ্বাপৰত ৰাৱণৰাজ্য আৰম্ভ হয়। এতিয়া হৈছে বিকাৰী সৃষ্টি আকৌ তোমালোক পৱিত্ৰ হৈ নিৰ্বিকাৰী দেৱতা হোৱাগৈ। এইখন হৈছে স্কুল। ভগৱানুবাচ (ভগৱানে কয়) - মই তোমালোক সন্তানসকলক ৰাজযোগ শিকাওঁ। তোমালোক ভৱিষ্যতে এনেকুৱা হ'বাগৈ। ৰজা হোৱাৰ পাঠ আৰু ক'তো পঢ়িবলৈ পোৱা নাযায়। পিতাইহে পঢ়ুৱাই নতুন সৃষ্টিৰ ৰাজধানী দিয়ে। পৰম পিতা, শিক্ষক, সৎগুৰু এজনেই শিৱবাবা। বাবা মানে নিশ্চয় উত্তৰাধিকাৰ পোৱা উচিত। ভগৱানে নিশ্চয় স্বৰ্গৰ উত্তৰাধিকাৰে দিব। ৰাৱণ যাক প্ৰতি বছৰে জ্বলায়, সেই ৰাৱণ হৈছে ভাৰতৰ এক নম্বৰ শত্ৰু। ৰাৱণে কেনেকুৱা অসুৰ কৰি দিলে। ৰাৱণৰাজ্য 2500 বছৰ চলে। তোমালোকক পিতাই কয় - মই তোমালোকক সুখধামৰ মালিক কৰি তোলোঁ। ৰাৱণে তোমালোকক দুখধামলৈ লৈ যায়। তোমালোকৰ আয়ুসো কম হৈ যায়। অকস্মাৎ অকাল মৃত্যু হৈ যায়। অনেক বেমাৰ হৈ থাকে। তাত এনেকুৱা কোনো কথা নাথাকে। নামেই হ'ল স্বৰ্গ।

এতিয়া নিজক হিন্দু বুলি কয় কিয়নো পতিত হয়। গতিকে দেৱতা বুলি কোৱাৰ লায়ক নহয়। পিতাই এই ৰথৰ দ্বাৰা বুজায়, তোমালোকক পঢ়ুৱাবলৈ এওঁৰ কাষত আহি বহে। গতিকে এৰোঁ পঢ়ে। আমি সকলো বিদ্যাৰ্থী। এজন পিতাই হ'ল শিক্ষক। এতিয়া পিতাই পঢ়ায়। আকৌ আহি 5000 বছৰ পাছত পঢ়ুৱাব। এই জ্ঞান, এই পঢ়া আকৌ লুপ্ত হৈ যাব। পঢ়ি তোমালোক দেৱতা হ'লা, 2500 বছৰ উত্তৰাধিকাৰ ল'লা তাৰপাছত দুখ, ৰাৱণৰ অভিশাপ। এতিয়া ভাৰত বহুত দুখী। এয়া হ'ল দুখধাম। আহ্বানো কৰি থাকে নহয় - পতিত-পাৱন আহক, আহি পাৱন কৰি তোলক। এতিয়া তোমালোকৰ কোনো বিকাৰ থাকিব নালাগে কিন্তু আধাকল্পৰ বেমাৰ সহজে আঁতৰিব জানো। সেই পঢ়াৰ ক্ষেত্ৰতো যিয়ে ভালদৰে নপঢ়ে তেওঁ অকৃতকাৰ্য হয়। যিসকল সন্মানসহকাৰে উত্তীৰ্ণ হয় তেওঁলোকে বৃত্তি পায়। তোমালোকৰ ভিতৰতো যিসকলে ভালদৰে পৱিত্ৰ হৈ আকৌ আনকো পৱিত্ৰ কৰি তোলে, তেওঁলোকে এই পুৰস্কাৰ লয়। মালা 8 (আঠ)ৰ হয়। তেওঁলোক হ'ল সন্মানসহকাৰে উত্তীৰ্ণ হওঁতা। আকৌ 108ৰ মালাও হয়, সেই মালাও জপ কৰা হয়। মনুষ্যই জানো এই ৰহস্য জানে। মালাৰ ওপৰত ফুল থাকে তাৰপাছত থাকে দুটা মেৰু দানা। স্ত্ৰী আৰু পুৰুষ দুয়ো পৱিত্ৰ। এওঁ পৱিত্ৰ নাছিল জানো। স্বৰ্গবাসী বুলি কৈছিল। এই আত্মাসকলেই আকৌ পুনৰ্জন্ম লৈ লৈ এতিয়া পতিত হৈ গৈছে। আকৌ ইয়াৰ পৰা পৱিত্ৰ হৈ পাৱন সৃষ্টিলৈ যাব। বিশ্বৰ বুৰঞ্জী-ভূগোল পুনৰাবৃত্তি হৈ থাকে নহয়। বিকাৰী ৰজাসকলে নিৰ্বিকাৰী ৰজাসকলৰ মন্দিৰ আদি নিৰ্মাণ কৰি তেওঁলোকক পূজা কৰে। তেওঁলোকেই আকৌ পূজ্যৰ পৰা পূজাৰী হৈ যায়। বিকাৰী হোৱাৰ বাবে সেই 'লাইট'ৰ (পৱিত্ৰতাৰ) মুকুটো নাথাকে। এই খেলখন ৰচি থোৱা আছে। এয়া হ'ল বেহদৰ অপূৰ্ব ড্ৰামা। প্ৰথমে এটাই ধৰ্ম থাকে যাক ৰামৰাজ্য বুলি কোৱা হয় আকৌ আন আন ধৰ্মাৱলম্বীসকল আহে। এই সৃষ্টিৰ চক্ৰ কেনেকৈ ঘূৰে সেয়া একমাত্ৰ পিতাইহে বুজাব পাৰে। ভগৱানতো এজনেই। ভালবাৰু!

অতি মৰমৰ, কল্পৰ পাছত পুনৰাই মিলিত হোৱা সন্তানসকলৰ প্ৰতি মাতা-পিতা বাপদাদাৰ স্নেহপূৰ্ণ স্মৰণ আৰু সুপ্ৰভাত। আত্মিক পিতাৰ আত্মিক সন্তানসকলক নমস্কাৰ।

*ধাৰণাৰ বাবে মুখ্য সাৰ:-**

(1) স্বয়ং ভগৱানে শিক্ষক হৈ পঢ়ায় গতিকে ভালদৰে পঢ়িব লাগে। বৃত্তি ল'বৰ কাৰণে পৱিত্ৰ হৈ আনকো পৱিত্ৰ কৰি তোলাৰ সেৱা কৰিব লাগে।

(2) ভিতৰত কাম, ক্ৰোধ আদিৰ যি ভূত প্ৰৱেশ কৰিছে সেইবোৰ বাহিৰ কৰিব লাগে। লক্ষ্য-উদ্দেশ্য সন্মুখত ৰাখি পুৰুষাৰ্থ কৰিব লাগে।

বৰদান: মায়াৰ ছাঁয়াৰ পৰা ওলাই স্মৃতিৰ ছত্ৰছায়াত থাকোঁতা নিশ্চিন্ত বাদশ্বাহ হোৱা

যি সদায় পিতাৰ স্মৃতিৰ ছত্ৰছায়াৰ তলত থাকে তেওঁ নিজক সদায় সুৰক্ষিত অনুভৱ কৰে। মায়াৰ ছায়াৰ পৰা ৰক্ষা পোৱাৰ সাধন হৈছে পিতাৰ ছত্ৰছায়া। ছত্ৰছায়াত থাকোঁতাসকল সদায় নিশ্চিন্ত বাদশ্বাহ হ'ব। যদি কোনো চিন্তা থাকে তেতিয়া আনন্দ নোহোৱা হৈ যায়। আনন্দ নোহোৱা হ'লে, দুৰ্বল হ'লে মায়াৰ ছায়াৰ প্ৰভাৱ পৰে কিয়নো দুৰ্বলতাইহে মায়াক আহ্বান জনায়। মায়াৰ ছায়া সপোনতো যদি পৰি গ'ল তেন্তে বহুত অশান্ত কৰি দিব সেয়েহে সদায় ছত্ৰছায়াৰ তলত থাকা।

শ্লোগান: বোধশক্তিৰ স্ক্ৰু-ড্ৰাইভাৰেৰে অমনোযোগিতাৰ ঢিলা স্ক্ৰু টান কৰি সদায় সতৰ্ক হৈ থাকা।

!! ওঁম্ শান্তি !!

"ইচ্ছা মাত্ৰম অবিদ্যা" স্থিতিৰ অনুভৱ কৰিবলৈ আৰু কৰাবলৈ আজিৰ অব্যক্ত সংকেত:

যি সৰ্ব প্ৰাপ্তিৰে তৃপ্ত হৈ থাকে তেওঁৰ স্থিতি "ইচ্ছা মাত্ৰম অবিদ্যা" স্বতঃ হৈ যায়। তেওঁলোকৰ কামনাৰ সলনি সন্মুখীন হোৱাৰ শক্তি থাকে। তেওঁলোকে যিকোনো ইচ্ছা পূৰ্ণ কৰিব পাৰে। যদি নিজৰেই কিবা ইচ্ছা থাকে তেন্তে তেওঁ আনৰ ইচ্ছা পূৰ্ণ কৰিব নোৱাৰিব।